# Result of Assam Mathematics Olympiad, 2020

The results of Mathematics Olympiad (MO), 2020 organised by Assam Academy of Mathematics (AAM) and held on 16 August, 2020 are declared as detailed below. In pursuance of disaster management protocol owing to Covid 19 pandemic affecting the people all over the world, AAM decided to conduct the competition online. It was an hour long competition for the senior category of students (viz., IX, X, and XI standard) only and the competitors participated in the competition from their own residences. Altogether 198 out of 457 candidates registered initially from all-over the State had appeared and Ms. Sunaina Pati of Sarla Birla Gyan Jyoti, Amingaon topped the list with a score of 70 out of 100. By virtue of being the topper in third category Ms. Sunaina Pati is qualified for the award of Subratananda Dowerah Gold Medal sponsored by the family of late Dr. Subratananda Dowerah, an extraordinary Mathematician of Assam who met an untimely death at a very young age. Following AAM convention the first five positions in order of merit have been sorted out as rank holders. AAM Talent Search Committee in consultation with leading office bearers of AAM Executive Committee have decided to award the rank holders with a cash prize of Rs.2000/- each. Based on cut-off marks fixed by AAM Talent Search Committee, candidates are selected for certificates of merit and appreciation also.

Following an extraordinary untoward situation prevailing in the State for Covid-19 and other reasons Academy's Award giving ceremony, 2020 remained suspended. As a result, the Subratananda Dowerah Gold Medal and other regular trophies couldn't be awarded last year. However, cash award of Rs 2000/- (Rupees two thousand) only was sent electronically to the account of each of six MO (AAM) rank holders of the year.

Rank Holders: Candidates eligible for Medals/Cash Award

| Sl. No. | Roll No. | Name | School/College | Score | Rank |
|---|---|---|---|---|---|
| 1 | 17005 | Sunaina Pati | Sarala Birla Gyan Jyoti, Amingaon | 70 | 1 |
| 2 | 19007 | Madhurjya Pratim Sarma | Shrimanta Shankar Academy, Guwahati | 63 | 2 |
| 3 | 06011 | Kaushika Das | Little Flower English High School, Bongaigaon | 60 | 3 |
| 4 | 06021 | Parag Kumar Das | Ambikagiri Jatiya Vidyalaya, Abhayapuri | 60 | 3 |
| 5 | 37001 | Amit Kumar Basistha | Anundoram Borooah Academy, Pathsala | 58 | 4 |
| 6 | 39029 | Daivik Dev | Don Bosco H.S. School, Silchar | 56 | 5 |

Following candidates are eligible for certificate of merit:

| Sl. No. | Roll No. | Name | School/ College | Score |
|---|---|---|---|---|
| 1 | 39081 | Sanjiban Paul | Maharishi Vidya Mandir, Silchar | 50 |
| 2 | 06036 | Swarnav Kalita | Delhi Public School, Dhaligaon | 42 |
| 3 | 12016 | Supratik Chattopadhyay | Delhi Public School, Digboi | 41 |
| 4 | 17006 | Thejas Radhika Sajith | Kendriya Vidyalaya, IIT Guwahati | 36 |
| 5 | 12014 | Shiv Prasad Das | Delhi Public School, Digboi | 32 |
| 6 | 06019 | Milesh Kumar | Bongaigaon higher secondary school (Eng. Med.), Bongaigaon | 32 |

Following candidates are eligible for certificate of appreciation:

| Sl. No. | Roll No. | Name | School/ College | Score |
|---|---|---|---|---|
| 1 | 12017 | Vinit Shah | The Little Stars senior secondary school, digboi | 25 |
| 2 | 05001 | Nabanshu Neer Gogoi | Delhi Public School, Numaligarh | 23 |
| 3 | 39057 | Nirjhar Nath | Ramanuj Gupta Junior College, Cachar | 23 |
| 4 | 06026 | Sagar Sharma | Bongaigaon Higher secondary school English Medium, Bongaigaon | 22 |
| 5 | 25002 | Airban Bora | Pragjyotika English School, Titabar | 22 |
| 6 | 19008 | Parnavi Deka | Maria's public school, Guwahati | 21 |
| 7 | 43001 | Armin Begum | Emmanuel Chritian High School, Tezpur | 19 |
| 8 | 20007 | Manthan Kashyap Datta | Delhi Public School, Guwahati | 19 |
| 9 | 40009 | Isfakul Hussain | Arunodoi academy, Amguri | 18 |
| 10 | 39014 | Annika Bhattacharjee | Holy Cross HS School, Cachar | 17 |
| 11 | 43021 | Upasana Sharma | Biswanath Jnan Bharati School, Biswanath Chariali | 17 |
| 12 | 15001 | Adrish Bora | Golaghat Jatiya Vidyalaya, Hamdoi Pathar, Golaghat | 17 |
| 13 | 43007 | Dhritiman Sawarni | Don Bosco high school, Tezpur | 16 |
| 14 | 39012 | Ankush Mazumder | Silchar Collegiate School, Silchar | 15 |
| 15 | 39052 | Muhsin Ahmed Barlaskar | Sainik School Goalpara, Goalpara | 15 |
| 16 | 30002 | Kaustabh Prasad Saikia | Maharishi Vidya Mandir, Tangla | 15 |
| 17 | 39035 | Jagotjyoti Dutta | St. Capitanio senior secondary school, Cachar | 15 |




মেলাখনৰ সবিশেষ তথ্যৰ বাবে ইয়াত ক্লিক কৰিবলৈ অনুৰোধ জনালোঁ

# ‘অসম গণিত শিক্ষায়তন’ৰ সাধাৰণ সম্পাদকৰ প্ৰতিবেদন

যোৱা ২৩ জানুৱাৰী, ২০২১ তাৰিখে লামডিং মহাবিদ্যালয়ত ‘অসম গণিত শিক্ষায়তন’ৰ এটা নতুন শাখা গঠন কৰা হয়। লামডিং মহাবিদ্যালয়ৰ গণিত বিভাগৰ মুৰব্বী অধ্যাপক শ্ৰীযুত শিউ কুমাৰ ঝাক সভাপতি আৰু শ্ৰীযুত মিঠুন গোস্বামীক সাধাৰণ সম্পাদক হিচাপে লৈ এখন ১৫ জনীয়া সমিতি গঠন কৰা হয়।

যোৱা ৭ মাৰ্চ, ২০২১ তাৰিখ ৰবিবাৰে ভাৰতীয় ৰাষ্ট্ৰীয় গণিত অলিম্পিয়াডৰ (Indian National Mathematics Olympiad, INMO-2021) অসমৰ প্ৰতিযোগীকেইজনৰ প্ৰতিযোগিতা কটন বিশ্ববিদ্যালয়ত অনুস্থিত কৰা হয়। ইয়াত মুঠ ৩৬ গৰাকী ছাত্ৰ-ছাত্ৰী অৱতীৰ্ণ হয়।

যোৱা ১৪ মাৰ্চ, ২০২১ তাৰিখ ৰবিবাৰে মৰিগাঁও মহাবিদ্যালয়ত অসম গণিত শিক্ষায়তনৰ উদ্যোগত কেন্দ্ৰীয়ভাবে, মহাবিদ্যালয়ৰ গণিত বিভাগ, আভ্যন্তৰীণ মান নিৰ্ণায়ক কোষ (IQAC), আৰু অসম গণিত শিক্ষায়তনৰ নৱগঠিত মৰিগাঁও শাখাৰ সহযোগত আন্তঃৰাষ্ট্ৰীয় গণিত দিৱস উদযাপন কৰা হয়। সেই উপলক্ষে ছাত্ৰ-ছাত্ৰীসকলৰ মাজত গণিতৰ কুইজ, সম্বৰ্ধনা, আৰু বক্তৃতানুষ্ঠান অনুষ্ঠিত কৰা হয়। এই উদ্দেশ্যে অনুষ্ঠিত হোৱা মুকলি সভাখনত সভাপতিত্ব কৰে মহাবিদ্যালয়ৰ অধ্যক্ষ ড° লীলাকান্ত বৰঠাকুৰদেৱে। সভাৰ উদ্দেশ্য ব্যাখ্যা কৰি, কেন্দ্ৰীয় সমিতিৰ সাধাৰণ সম্পাদক হিচাপে আমি গণিত দিৱসৰ তাৎপৰ্যৰ বিষয়ে বহলাই ব্যাখ্যা কৰোঁ। আন্তঃৰাষ্ট্ৰীয় গণিত দিৱসৰ মূল বক্তৃতা প্ৰদান কৰে অসম গণিত শিক্ষায়তনৰ প্ৰাক্তন সভাপতি তথা বৰ্তমান অসম গণিত শিক্ষায়তনৰ Talent Search Committee ৰ অধ্যক্ষ ড° প্ৰবীণ দাসদেৱে। এই সভাত, মৰিগাঁও উচ্চতৰ মাধ্যমিক আৰু বহুমূখী বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত গণিত শিক্ষক শ্ৰীযুত বুতেন নাথদেৱক তেওঁৰ জীৱনযোৱা গণিতৰ শিক্ষাৰ ক্ষেত্ৰত আগবঢ়োৱা বৰঙণিৰ বাবে সম্বৰ্ধনা জনোৱা হয়। সেইদিনাৰ মূল সভাখন পৰিচালনা কৰে মৰিগাঁও মহাবিদ্যালয়ৰ গণিত বিভাগৰ সহযোগী অধ্যাপক ড° ৰঞ্জিত কুমাৰ কলিতাদেৱে। মৰিগাঁও শাখাৰ উপ-সভাপতি মৃণাল হাজৰিকা আৰু সহ-সম্পাদক জগদীশ নাথে পৰিচালনা কৰা কুইজ প্ৰতিযোগিতাত প্ৰথম স্থান লাভ কৰে যশস্বী দেৱী, নেহা শইকীয়া, আৰু উৰ্মী কোঁৱৰৰ দলে; আৰু দ্বিতীয় স্থান লাভ কৰে মৰিগাঁও ৰাধাকৃষ্ণণ চেণ্ট্ৰেল একাডেমীৰ দীক্ষিতা সীমা দেৱ, জাগৃতি কলিতা, আৰু চিন্ময় হাজৰিকাৰ দলে।

মৰিগাঁওৰ উপৰি অসম গণিত শিক্ষায়তনৰ বিভিন্ন শাখাই বঙাইগাঁও, গোলাঘাট, শিলচৰ, যোৰহাট, লামডিং, তেজপুৰ আদি ঠাইত বিভিন্ন কাৰ্যসূচীৰে আন্তঃৰাষ্ট্ৰীয় গণিত দিৱস উদযাপন কৰে। এই সুযোগতে কেন্দ্ৰীয় সমিতিৰ তৰফৰ পৰা সকলো শাখালৈ আন্তৰিক কৃতজ্ঞতা আৰু অভিনন্দন জ্ঞাপন কৰিলোঁ।

ড° জ্ঞানজ্যোতি শৰ্মা

*সাধাৰণ সম্পাদক, অসম গণিত শিক্ষায়তন*

# ৰাষ্ট্ৰীয় গণিত দিৱস উদযাপন আৰু অন্যান্য কাৰ্যসূচীৰ প্ৰতিবেদন

(যোৱা সংখ্যাৰ পিছৰ পৰা)

## দৰং জিলা শাখাৰ প্ৰতিবেদন

শাখাৰ তৰফৰ পৰা দেওমৰনৈ উচ্চতৰ মাধ্যমিক বিদ্যালয়ত এই দিৱস পালন কৰা হয়। এই উদ্দেশ্যে স্থানীয় স্কুলীয়া ছাত্ৰ-ছাত্ৰীৰ মাজত গণিত বিষয়ক এলানি প্ৰতিযোগিতা অনুষ্ঠিত কৰা হয়। প্ৰতিযোগিতাখন উদ্বোধন কৰে বিদ্যালয়ৰ অধ্যক্ষ অক্ষয় কুমাৰ নাথদেৱে। মুখ্য-অতিথি হিচাপে উপস্থিত থাকে লেঙেৰীয়াঝাৰ কৃষক হাইস্কুলৰ শিক্ষক হৰনাথ ডেকাদেৱ। প্ৰতিযোগিতাৰ অন্তত শ্ৰেষ্ঠসকলক পুৰস্কৃত কৰা হয়।

– পবিত্ৰ হাজৰিকা

সাধাৰণ সম্পাদক, দৰং জিলা শাখা

## শোণিতপুৰ জিলা শাখাৰ প্ৰতিবেদন

এই শাখা আৰু জিলাৰ বিদ্যালয়সমূহৰ পৰিদৰ্শক প্ৰভাত দাসৰ সহযোগত জিলাখনৰ প্ৰায় চল্লিছখনৰো অধিক বিদ্যালয়ে এই দিৱস উদযাপন কৰে। ইয়াৰে কেইখনমান বিদ্যালয়/প্ৰতিষ্ঠান হ'ল:

তেজপুৰ চৰকাৰী উচ্চতৰ মাধ্যমিক বহুমুখী কন্যা বিদ্যালয়, শিলিখাবাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়, গামানি মাধ্যমিক বিদ্যালয়, মিছামাৰি উচ্চতৰ মাধ্যমিক বিদ্যালয়, অমিয় দাস হাইস্কুল, শিঙৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়, ঢেকীয়াজুলি শংকৰদেৱ শিশু নিকেতন, ৰঙাপাৰা কদমতল হাইস্কুল, যুগল উচ্চ মাধ্যমিক বিদ্যালয়, ৰঙাগড়া উচ্চতৰ মাধ্যমিক বিদ্যালয়, কেহেৰুখন্দা হাইস্কুল, তেজপুৰ গুৰুকুল, ডনবস্ক' হাইস্কুল তেজপুৰ, চৰকাৰী উচ্চতৰ মাধ্যমিক বালক বিদ্যালয় তেজপুৰ, পৰ্বতীয়া হাইস্কুল, বেংগলী বালক বিদ্যালয় তেজপুৰ, চিৰাজুলি উচ্চতৰ মাধ্যমিক বিদ্যালয়, লুথেৰান হাইস্কুল তেজপুৰ, দৰং মহাবিদ্যালয়ৰ গণিত বিভাগ, ডাইমেনচন একাডেমী তেজপুৰ, ইমানুৱেল খ্ৰীষ্টীয়ান স্কুল তেজপুৰ, বৰচলা হাইস্কুল, আদি।

ছাত্ৰ-ছাত্ৰীৰ উপযোগী হোৱাকৈ, শাখাই ৰামানুজনৰ জীৱনৰ সম্পৰ্কত এটা ভিডিঅ' প্ৰস্তুত কৰে, আৰু ভিডিঅ'টোত তেজপুৰ বিশ্ববিদ্যালয়ৰ গণিতবিজ্ঞান বিভাগৰ অধ্যাপক ড° নয়নদীপ ডেকা বৰুৱাদেৱে ভাষণ প্ৰদান কৰে। লগতে ৰামানুজনৰ জীৱন সম্পৰ্কত এটি লেখাৰ পিডিএফ প্ৰস্তুত কৰি ছাত্ৰ-ছাত্ৰীয়ে পোৱাকৈ সকলো বিদ্যালয়ত বিতৰণ কৰা হয়। শোণিতপুৰ জিলাত এইবাৰেই প্ৰথমবাৰৰ বাবে সকলো বিদ্যালয়ত গণিত দিৱস উদযাপন কৰা হয়।

শাখাৰ সভাপতি ড° ৰামচৰণ ডেকাৰ সভাপতিত্বত বিহগুৰি উচ্চতৰ মাধ্যমিক বিদ্যালয়ত কেন্দ্ৰীয়ভাৱে এই দিৱস উদযাপন কৰা হয়। আমি উদ্দেশ্য ব্যাখ্যা কৰা সভাখনত, তেজপুৰ বিশ্ববিদ্যালয়ৰ গণিতবিজ্ঞান বিভাগৰ অধ্যাপক ড° ভীম প্ৰসাদ শৰ্মাদেৱে গণিতজ্ঞজনৰ প্ৰতি শ্ৰদ্ধাঞ্জলি জনোৱাৰ লগতে গণিতৰ প্ৰতি ছাত্ৰ-ছাত্ৰীক আকৰ্ষিত কৰাৰ ক্ষেত্ৰত শিক্ষকসকলৰ বিশেষ ভূমিকা আছে বুলি জনায়। বিশিষ্ট অতিথি ৰূপে ৰামানুজনৰ জীৱনৰ সম্পৰ্কত আলোকপাত কৰে তেজপুৰ বিশ্ববিদ্যালয়ৰ ড° বিপুল কুমাৰ শৰ্মাদেৱে। অতিথিসকলক আদৰণি জনায় বিদ্যালয়খনৰ অধ্যক্ষ জয়ন্ত কুমাৰ শৰ্মাদেৱে। প্ৰভাত দাসদেৱে দিয়া শুভেচ্ছাবাণী পাঠ কৰে তেজপুৰ বিশ্ববিদ্যালয়ৰ ড° সোভম সেনদেৱে।

গণিতৰ মাহাত্ম্যৰ সম্পৰ্কত মাইনা গোস্বামীয়ে ৰচনা কৰা আৰু আনন্দ দাসে সুৰ কৰা এটা সমবেত গীত আমাৰ পৰিচালনাত বিদ্যালয়খনৰ ছাত্ৰীসকলে পৰিৱেশন কৰে। সেই বিদ্যালয়ৰে ছাত্ৰী হিমাশ্ৰী দেৱীয়ে 'অংকৰ সৰলতা' শীৰ্ষক এটি স্বৰচিত কবিতা পাঠ কৰে। অনুষ্ঠানটিৰ আঁত ধৰে সেই বিদ্যালয়ৰ শিক্ষক দিগন্ত বিজয় দত্ত আৰু ভাস্কৰ্য কমল হাজৰিকাই।

– অনামিকা গগৈ
সাধাৰণ সম্পাদিকা, শোণিতপুৰ জিলা শাখা

## নলবাৰী জিলা শাখাৰ প্ৰতিবেদন

এই শাখা আৰু আৰ্যভট্ট বিজ্ঞান কেন্দ্ৰ বৰভাগ ব্লকৰ উদ্যোগত লটাচ প্ৰগ্ৰেছিভ চেণ্টাৰ মৰোৱাত ৰাষ্ট্ৰীয় গণিত দিৱস পালন কৰা হয়। কামৰূপ মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যাপক ড° গিৰিশ ডেকাই ৰামানুজনৰ বিষয়ে বিস্তৃত বক্তৃতা প্ৰদান কৰে। নলবাৰী মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যাপক তথা অ.গ.শি. নলবাৰী শাখাৰ সভাপতি ড° প্ৰমোদ বৈশ্যই গণিত শিকাৰ ৰসিক কৌশল (Joy-ful Learning) সম্পৰ্কে ছাত্ৰ-ছাত্ৰীক অৱগত কৰে। বৰভাগ মহাবিদ্যালয়ৰ অধ্যাপক কৰুণা বৰুৱাই গণিতৰ দিশৰ সম্পৰ্কত আলোচনা আগবঢ়ায়। আমি বৰ্গ সংখ্যাৰ সম্পৰ্কত এটা চমু ভাষণ প্ৰদান কৰোঁ। অনুষ্ঠানটিৰ সভাপতিত্ব কৰে মৰোৱা আনন্দৰাম বৰুৱা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত শিক্ষক শম্ভুৰাম বেজবৰুৱাই। অনুষ্ঠানত মুঠ ৭ খন বিদ্যালয়ৰ ৭০ গৰাকী ছাত্ৰ-ছাত্ৰী আৰু ১০ গৰাকী শিক্ষয়িত্ৰীয়ে অংশ গ্ৰহণ কৰে। চাৰিগৰাকী ছাত্ৰ-ছাত্ৰীয়ে গণিত বিষয়টোৰ সম্পৰ্কত অনুভৱ ব্যক্ত কৰে।

ইয়াৰ পূৰ্বে ২৪ ছেপ্টেম্বৰ, ২০২০ তাৰিখে অনুষ্ঠুপীয়াকৈ নলবাৰী শাখাৰ প্ৰতিষ্ঠা দিৱস পালন কৰা হয়।

– অপূৰ্ব ডেকা
সাধাৰণ সম্পাদক, নলবাৰী শাখা

## কামৰূপ (গ্ৰাম্য) জিলা শাখাৰ প্ৰতিবেদন

১২ ছেপ্টেম্বৰ, ২০২০ তাৰিখে কেন্দ্ৰীয় সমিতিৰ সহযোগত বাইহাটা চাৰিআলিৰ গেটৱে একাডেমীত এই শাখাৰ ১৫ জনীয়া সমিতিখন গঠন হয়।

এই শাখাৰ সহযোগত বাইহাটা চাৰিআলিৰ কামৰূপ পলিটেকনিক আৰু আইনষ্টাইন একাডেমীত ৰাষ্ট্ৰীয় গণিত দিৱস পালন কৰে।

– ড° লতিকা কলিতা
সাধাৰণ সম্পাদিকা, কামৰূপ (গ্ৰাম্য) জিলা শাখা



## যোৰহাট শাখাৰ প্ৰতিবেদন

১৮ আগষ্ট, ২০২০ তাৰিখে 'গুগল মিট' মাধ্যমেৰে শাখাৰ প্ৰথম বৰ্ষপুৰ্তি অনুষ্ঠান অনুষ্ঠিত কৰা হয়। ইয়াত কেন্দ্ৰীয় সমিতিৰ সাধাৰণ সম্পাদক, শাখাৰ সদস্যসকল, আৰু বিভিন্ন বিদ্যালয়ৰ শিক্ষক-শিক্ষয়িত্ৰী উপস্থিতি থাকি বক্তব্য আগবঢ়ায়।

২৬ ছেপ্টেম্বৰ, ২০২০ তাৰিখে গণিতজ্ঞ, সাহিত্য-সংস্কৃতিৰ সাধক, শিক্ষাবিদ, লেখক প্ৰয়াত ড° দিলীপ কুমাৰ দত্তদেৱৰ প্ৰথম মৃত্যুবাৰ্ষিকী গুগল মিটৰ মাধ্যমেৰে পালন কৰা হয়। শাখাৰ সাধাৰণ সম্পাদক হিচাপে আমি পুৰা নিজা বাসগৃহত দত্তদেৱৰ প্ৰতিচ্ছবিৰ সমুখত বন্তি প্ৰজ্বলন কৰি শাখাৰ হৈ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰোঁ। কেন্দ্ৰীয় সমিতিৰ সাধাৰণ সম্পাদক ড° জ্ঞানজ্যোতি শৰ্মাদেৱে নিজা বাসগৃহত দত্তদেৱৰ প্ৰতিচ্ছবিৰ সমুখত বন্তি প্ৰজ্বলন কৰি উদ্বোধন কৰা গুগল মিট অনুষ্ঠানটোত, প্ৰথমে এক মিনিট সময় মৌন প্ৰাৰ্থনা কৰা হয়। অনুষ্ঠানত বক্তৃতা প্ৰদান কৰে যোৰহাট জগন্নাথ বৰুৱা মহাবিদ্যালয়ৰ গণিত বিভাগৰ প্ৰাক্তন মুৰব্বী অধ্যাপক তথা কাকজান মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যাপক ড° দীপক শৰ্মাদেৱে। আমি আমন্ত্ৰণ কৰা, দত্তদেৱৰ সান্নিধ্যত থকা যোৰহাটৰ আয়ুৰ্বেদিক চিকিৎসক কৃষ্ণকান্ত নাথ, আৰু ড° ভূপেন হাজৰিকা ফাউণ্ডেছন যোৰহাটৰ সম্পাদক, অনাতাঁৰ শিল্পী মঞ্চ যোৰহাটৰ সাংস্কৃতিক সম্পাদক, অভিযন্তা ৰঞ্জন দত্তই গণিতজ্ঞজনৰ সান্নিধ্যৰ বিষয়ে বক্তব্য আগবঢ়ায়। কেন্দ্ৰীয় সমিতি আৰু বিভিন্ন জিলাৰ কেইবাজনো সদস্যই বক্তব্য আগবঢ়োৱা অনুষ্ঠানটিত শাখাৰ সভাপতি ড° ৰাফেল কুমাৰ শইকীয়াই সভাপতিৰ বক্তব্য আগবঢ়ায় আৰু শাখাৰ যুটীয়া সম্পাদক ত্ৰিদিৱ জ্যোতি নেওগে শলাগৰ শৰাই আগবঢ়ায়। শাখাৰ অস্থায়ী কাৰ্যালয় তৰাজান হাইস্কুলত ছাত্ৰ-ছাত্ৰীসকলৰ উপস্থিতিত ৰাষ্ট্ৰীয় গণিত দিৱস উদযাপন কৰা হয়। বিদ্যালয়খনৰ প্ৰধান শিক্ষয়িত্ৰী চিনু গোস্বামী মহোদয়াই বন্তি প্ৰজ্বলনেৰে মুকলি কৰা সভাত শাখাৰ সদস্য প্ৰীতি বৰাই এই দিৱসৰ তাৎপৰ্য ব্যাখ্যা কৰে। অনুষ্ঠানত কেইবাজনো শিক্ষকে ছাত্ৰ-ছাত্ৰীক গণিতৰ খেল দেখুৱায়। আমি আঁত ধৰা অনুষ্ঠানটিত শাখাৰ সদস্য মধুস্মিতা গোস্বামীয়ে শলাগৰ শৰাই আগবঢ়ায়, আৰু বিদ্যালয়খনৰ শিক্ষয়িত্ৰী সঞ্চিতা বৰুৱাই সকলোকে ধন্যবাদ জনাই অনুষ্ঠানটি সমাপ্ত কৰে।

– কাকলি বৰঠাকুৰ
সাধাৰণ সম্পাদক, যোৰহাট শাখা

## বোকাখাত শাখাৰ প্ৰতিবেদন

বোকাখাত শাখাই পুৱা ১০ বজাৰ পৰা দিনজোৰা কাৰ্যসূচীৰে এই দিৱস পালন কৰে। এই উপলক্ষে, ৰামানুজনৰ কৰ্মৰাজিৰ সন্দৰ্ভত ড° বিদ্যুৎ বৰুৱাই ছাত্ৰ-ছাত্ৰীসকলৰ মাজত মনোগ্ৰাহী আলোচনা আগবঢ়ায়, আৰু স্নাতক ১ম বৰ্ষৰ ছাত্ৰ গৌৰীশিখৰ নাথে ৰামানুজনৰ জীৱন সন্দৰ্ভত বক্তব্য আগবঢ়ায়। প্ৰতিবছৰে পালন কৰি অহাৰ দৰে এইবাৰো বোকাখাত মহকুমাৰ চাৰিজন অৱসৰপ্ৰাপ্ত গণিত শিক্ষকক সম্বৰ্ধনা জনোৱা হয়। বৰ্তমান পৰিস্থিতিৰ প্ৰতি লক্ষ্য ৰাখি এইবাৰ এই কাৰ্য তেখেতসকলৰ ঘৰলৈ গৈ ৰূপায়ণ কৰা হয়। সম্বৰ্ধিত ব্যক্তিকেইগৰাকী হ'ল— বোকাখাত উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ শিৱৰাম বৰা, বোকাখাত হিন্দী হাইস্কুলৰ অৱসৰপ্ৰাপ্ত মঃ ৰছিদ আনচাৰী, কুৱঁৰাবাহী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত

অধ্যক্ষ বিশ্বেশ্বৰ দাস, আৰু মহুৰামুখ হাইস্কুলৰ অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক সুৰেণ বড়ি। সন্ধিয়া ৬ বজাৰ পৰা 'Joyful Learning in Mathematics' শীৰ্ষক এখনি ৱেবিনাৰ অনুষ্ঠিত কৰা হয়। ইয়াত সমল ব্যক্তি হিচাপে বক্তব্য ৰাখে ড° মনীন্দ্ৰ কুমাৰ মজুমদাৰে। ৱেবিনাৰখন উদ্বোধন কৰে ড° জ্ঞানজ্যোতি শৰ্মাই, আৰু পৰিচালনা কৰে ড° সুৰজিৎ দত্তই।

– অভিজিত খাউণ্ড
সাধাৰণ সম্পাদক, বোকাখাত শাখা

## Report of Biswanath District Branch

The Biswanath district branch celebrated the National Mathematics Day with day long programme in association with Srimanta Sankar Guru Jatiya Vidyalay Burigang B. Chariali. Lakhyajit Das, rector, presided the meeting. Dr. Arun Chaliha, the president of Biswanath district branch, Ripunjay Bordoloi, science teacher and author, and I delivered special lecture on related issues of National Mathamtics Day. In my speech I briefed about the activities undertaken by AAM for the students' community. Lastly Kalyan Jyoti Gogoi, Mathematics teacher, gave vote of thanks on behalf of the branch.

– Pranjal Bordoloi
General Secretary, Biswanath Chariali Branch

## Report of Cachar District Branch

The Cachar District Branch celebrated the National Mathematics Day in association with Department of Mathematics, Gurucharan College, Silchar. The inaugural session was graced by Sumit Sattawan, ADC, Cachar District as the Chief Guest in presence of Dr. Mihir Ranjan Nath, Vice-Principal, Gurucharan College and Dr. Rajasree Paul, Coordinator IQAC, Gurucharan College. Two renowned mathematics teachers, namely Apurba Kumar Nath, Sonai NGHS School and Parimal Chakraborty, Holy Cross HS School were invited as Guests of Honour. They were felicitated for their relentless service in imparting mathematics education at school level.

As the General Secretary, AAM Cachar District, I delivered the welcome address, and highlighted the significance of National Mathematics Day. Speaking on the occasion, ADC Sumit Sattawan lauded the effort of Assam Academy of Mathematics in popularizing mathematics through such events and urged the students to study mathematics seriously. Apurba Kumar Nath highlighted the importance of mathematics in our day to day lives and advised the students to develop problem solving skills. Parimal Chakraborty encouraged the students to excel in mathematics and develop moral thinking. He also recited a self-written poem as a tribute to Srinivasa Ramanujan. Rajasree Paul appreciated the initiatives taken by AMM Cachar District Branch and urged the administration as well as the AAM branch to focus on mathematics education for underprivileged students. Lastly, Dr. Mihir Ranjan Nath expressed his feelings on mathematics being a Physics teacher. He urged the students as well as teachers to make use of the latest technology in upgrading their knowledge and ideas.

A mathematical quiz competition 'Mathwiz' was also organized for students of classes VIII to X. Five teams out of thirty four were shortlisted for the final quiz. Dr. Mridul Mohan Das, Assistant Professor, Department of Botany, Gurucharan College acted as the quiz master. After four interesting and competitive rounds, Subhadip Roy and Harsha Purkayastha from Silchar Collegiate School were adjudged the winners while Sanjiban Paul and Swapnoneel Das from Maharishi Vidya Mandir were adjudged the runners-up. Certificates and prizes were distributed among the participants. All the five finalists are provided books to enhance their mathematical skills.

– Dr. Debashish Sharma
General Secretary, Cachar District Branch